**This Question Paper consists of 27 questions and 4 printed pages.**
এই প্ৰশ্নকাকতত 27 খন প্ৰশ্ন আৰু 4 ছপা পৃষ্ঠা আছে।

| Roll No. ৰোল নং. | | | | | | | | | | | | | Code No. 62/S/N/A কোড নং. |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|

Set / ছেট - **A**

# ASSAMESE
# (অসমীয়া)
# (228)

**Day and Date of Examination**
(পৰীক্ষাৰ দিন আৰু তাৰিখ) ______________________

**Signature of Invigilators** 1. ______________________
(তত্বাবধানকাৰীসকলৰ স্বাক্ষৰ)

2. ______________________

## সাধাৰণ নিৰ্দেশাৱলী ঃ

1 প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব ।

2 পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ লব লাগিব ।

3 সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ঠ সময়ৰ ভিতৰত কৰিব লাগিব ।

4 নিৰ্দিষ্ঠ স্থানৰ বাহিৰে প্ৰশ্ন-উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্তকৰণৰ যি কোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হব ।

5 উত্তৰ বহীত প্ৰশ্নকাকতৰ সাংকেতিক সংখ্যা **62/S/N/A, Set - A** উল্লেখ কৰিব ।

# ASSAMESE

(অসমীয়া)

(228)

সময় : 3 ঘন্টা ] [পূৰ্ণমান : 100

নিৰ্দেশা ঃ সকলো প্ৰশ্নৰ উত্তৰ কৰা বাঞ্ছনীয় । প্ৰতিটো প্ৰশ্নৰ কাষত নম্বৰ দিয়া আছে ।

1 'কাকূতি' নামৰ বৰগীতটি কি ৰাগত বন্ধা আছে ? 1

2 'গড়গাওঁ' নামৰ কবিতাটিৰ কবিগৰাকীৰ নাম লিখা । 1

3 কবিয়ে কিহৈ আকাশৰ বুকুত উৰিব খোজে ? 1

4 কবিৰ বহুতো যাত্ৰাৰ পৰিসমাপ্তি ক'ত ঘটিছে ? 1

5 আইন অমান্য আন্দোলন কেতিয়া হৈছিল ? 1

6 অসম প্ৰাচীন কালত কি নামেৰে জনাজাত আছিল ? 1

7 বৰবৰুৱাৰ গাত চ'তৰ বিহু পাঠটিৰ লেখক কোন ? 1

8 'তুমিয়েহে মোৰ একমাত্ৰ বিপদৰ বন্ধু' - এইষাৰ কাৰ উক্তি ? 1

9 মনিৰামৰ জীৰ্ণ জ্বৰ পিছলৈ কি জ্বৰত পৰিণত হৈছিল ? 1

10 মাদাৰ টেৰেছাক ভাৰত চৰকাৰে দিয়া এটা সন্মানৰ নাম লিখা । 1

11 জাৰকালি কেতেকী ফুল ফুলাবলৈ চৰাইজনীয়ে কি কৰাৰ কথা কৈছিল ? 2

12 সময়ৰ সোতঁক কাৰ লগত আৰু কিয় তুলনা কৰা হয় ? 2

13 কণমাই কোন ? কনমাইৰ ল'ৰাটোৱে কি চাকৰি পাইছিল ? 2

14 'জনমভূমি' কবিতাটিত কবিয়ে কাৰ কোলাত প্ৰথম চকুমেলাৰ কথা কৈছে বুজাই লিখা । 3

15 নৰেশ্বৰ আৰু ধৰ্মকান্তৰ কাজিয়াৰ কাৰণ কি চমুকৈ বুজাই লিখা । 3

16 গল্প লেখকৰ ওচৰত সমাজ কল্যাণ বিভাগে দিয়া সাহায্য সম্পৰ্কত কেনে অভিযোগ আহিছিল বুজাই লিখা । 3

17 প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা : 5×2=10

(ক) শান্তিৰ চৰাই যুৰিক আঁজলি ভৰাই মই দিছোঁ - ভৰাঁলৰ এমুঠি ধান, পৰাণৰ এমুঠি গান ।

(খ) সময়ৰ জোখ কামতহে, ঘড়ীৰ কাটা কেইডালত নাই ।

18 'কাকূতি' নাইবা 'জীৱন জেউতি' নামৰ কবিতাটিৰ মূলভাৱ লিখা । 6

19 ''ৰাজশক্তি আজি বলহীন'' - এইষাৰ কাৰ উক্তি । 5

কি কাৰণে ৰাজশক্তি বলহীন বুলিছে বুজাই লিখা ।

20 মাদাৰ টেৰেছাই ক'ত কেনেদৰে শিক্ষা লাভ কৰিছিল বুজাই লিখা । 4

21 তোমাৰ অঞ্চলৰ অনিয়মীয়া বিদ্যুৎ যোগানৰ বিষয়ে জনাই বিভাগীয় কৰ্তৃপক্ষলৈ এখন চিঠি লিখা । 8

22 এটা শব্দত প্ৰকাশ কৰা : (যিকোনো ৫টা) 1×5=5

খেৰৰ চালেৰে নিৰ্মাণ কৰা সৰু জুপুৰী, ভাগৰ লগা লোক, উৰ্বৰ নহয় যি, যি মহাপাপ আচাৰে, যি সমাপ্ত হোৱা নাই, ৰজাৰ প্ৰতি যি ভক্ত ।

23 বাক্য ৰচনা কৰা : (যিকোনো ৫টা) 1×5=5

পানীত হাঁহ নচৰা, জাকত জিলিকা, নোহোৱা - নোপোজা, চকু মুদা, গোজেই-গজালি, কৰ্কালত টঙালি বান্ধ ।

24 সন্ধি ভাঙা আৰু জোৰা লগোৱা : (যিকোনো ৫টা) 1×5=5

নাচনী, পুৱতি, বহতীয়া, ৰণ + উৱা, সেউজ + ঈয়া, মৰম + ইয়াল ।

25 বিপৰীতাৰ্থক শব্দ লিখা : (যিকোনো ৫টা) 1×5=5

স্বৰগ, সৰল, শত্ৰু, ৰোগী, আকাশ, শেষ ।

26 ভাৱ-সম্প্ৰসাৰণ কৰা : (যিকোনো দুছোৱা) 6×2=12

(ক) পুথি অধ্যয়ন বিদ্যা উপাৰ্জনৰ ঘাই উপায় ।

(খ) জ্ঞান এক অভেদ্য দুৰ্গ ।

(গ) এক গৰু মাৰিলে বাঘৰো মৰণ ।

27 তলৰ দিয়া যিকোনো এটা বিষয় বাছিলৈ এখন ৰচনা লিখা : 10

তোমাৰ প্ৰিয় সাহিত্যিক, দৈনন্দিন জীৱনত বিজ্ঞানত প্ৰভাৱ,

ছাত্ৰ জীৱনৰ কৰ্তব্য, বাতৰিকাকত ।